# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে দেশৰ বাকী অংশৰ লগতে অসমতো বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে আজি সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব। বৰঝাৰ বিমান বন্দৰৰ পৰা কইনাধৰালৈ যাত্ৰা কৰাৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনাব। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ কেইবাটাও পথত বাণিজ্যিক যান-বাহন চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি আজি বিয়লি ৩ বজাৰ পৰা নিশা ১০ বজালৈকে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোড আৰু ডি ছে ৰোডত বাণিজ্যিক সামগ্ৰী কঢ়িওৱা কোনো ধৰণৰ বাহন চলাচল কৰিব নোৱাৰিব। আনহাতে, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোড আৰু জি এছ ৰোডত মন্থৰ গতিৰ যান-বাহন চলাচলত বাধা কৰা হৈছে বুলি গুৱাহাটী উপ আৰক্ষী আয়ুক্তৰ যান-বাহন শাখা কাৰ্যালয়ৰ পৰা জানিবলৈ দিছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব। এই কাৰ্যসূচীক কেন্দ্ৰ কৰি নলবাৰী জিলাত ব্যাপক প্ৰস্তুতি অব্যাহত আছে।

ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ১৮ এপ্ৰিলত কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা আছে। তেওঁ বিজেপি মিত্ৰজোঁটৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলীৰ জেংৰাইমুখৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ইপিনে ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া বিধানসভা সমষ্টিত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তেওঁৰ লগত ৰাজ্য চৰকাৰৰ মন্ত্ৰী সঞ্জয় কিষাণো উপস্থিত থাকে। আনহাতে ডিব্ৰুগড় লোকসভা সমষ্টিৰ আম আদমী পাৰ্টীৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে তিনিচুকীয়া জিলাৰ মাকুম বিধানসভা সমষ্টিত প্ৰচাৰ অভিযান চলায়।

আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি যোৰহাটৰ তিতাবৰত উপস্থিত হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাব।

গুৱাহাটী লোকসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত তথা বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত প্ৰাৰ্থীগৰাকীৰ সৈতে কংগ্ৰেছ নেত্ৰী অলকা লাম্বা, কংগ্ৰেছৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, সাংসদ অজিত কুমাৰ ভূঞা আদি উপস্থিতি থাকে।

০০০০০

আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো ৰাজ্যজুৰি তাঁতৰ বিহুৰূপে পালন কৰা হৈছে। ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে আজি গুৱাহাটীৰ আমবাৰীৰ বস্ত্ৰভৱনৰ বাকৰিত তাঁতৰ বিহু পালন কৰে। এই উপলক্ষে বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে পৰম্পৰাগত সাজ-সজ্জাৰে বস্ত্ৰভৱনত থকা তাঁতশালসমূহ নকৈ সজাই তোলাৰ লগতে চাকি-বন্তি জ্বলাই পূজা-অৰ্চনা কৰে। তাঁতৰ বিহু উপলক্ষে বিভাগটোত আজি বিহুসুৰীয়া গীত-মাত আৰু হুঁচৰিৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ সচিব দিলীপ কুমাৰ বৰাই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী মুকলি কৰে। অসম বস্ত্ৰশিল্প প্ৰতিষ্ঠানৰ জ্যেষ্ঠ শিক্ষক তথা বিশিষ্ট নিবন্ধকাৰ ৰবীন খাটনীয়াৰে **তাঁত বিহুৰ তাৎপৰ্য আৰু পৰম্পৰা** শীৰ্ষক বিষয়বস্তুৰ ওপৰত বিশেষ বক্তৃতা প্ৰদান কৰে। বিভাগীয় সঞ্চালক পৰাগমণি মহন্তই আদৰণি ভাষণত তাঁতৰ বিহু উদযাপনৰ উদ্দেশ্যৰ কথা উল্লেখ কৰে। তেওঁ অসমীয়া শিপিনীয়ে হাতে বোৱা গামোচা আৰু চাদৰ মেখেলা আদি ব্যৱহাৰ কৰিবলৈ উপস্থিত ৰাইজক আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সৰ্বভাৰতীয় অসামৰিক সেৱা পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। প্ৰকাশিত তালিকা অনুসৰি লক্ষ্ণৌৰ আদিত্য শ্ৰীবাস্তৱে প্ৰথম স্থান অধিকাৰ কৰিছে। অনিমেষ প্ৰধানে দ্বিতীয় আৰু দ'নুৰু অনন্যা ৰেড্ডীয়ে তৃতীয় স্থান লাভ কৰিছে। ৰাজ্যৰ কেইবাগৰাকীও যুৱক-যুৱতীয়ে এই তালিকাত স্থান লাভ কৰিছে। ইয়াৰ ভিতৰত অভিজ্ঞান হাজৰিকাই ১৭২ সংখ্যক স্থান, ৰিকি লহকৰ প্ৰধানে ২৩০ সংখ্যক স্থান, ঈশ্বৰী ডেকাই ৩২০ সংখ্যক স্থান, ঋতুৰাজ শৰ্মাই ৪৬২ সংখ্যক স্থান, ভাস্বত শইকীয়াই ৫৫২ সংখ্যক স্থান, মানস উৎপলে ৬১৫ সংখ্যক স্থান, কল্লোল হাজৰিকাই ৯৯২ সংখ্যক স্থান আৰু আজমল হুছেইনে ১০১৩ সংখ্যক স্থান লাভ কৰিছে।

০০০০০

সমাপ্ত